# অসম জাতীয় বিদ্যালয়

## নুনমাটি, গুৱাহাটী ৭৮১০২০

তাৰিখ : ০৬/০৯/২০১৬

---

## অসম জাতীয় বিদ্যালয়ত শিক্ষক দিৱস উদ্‌যাপন

নুনমাটি, গুৱাহাটী ৬ ছেপ্টেম্বৰ, ২০১৬ : নুনমাটিত অৱস্থিত অসম জাতীয় বিদ্যালয়ত ৫ ছেপ্টেম্বৰ তাৰিখে ড° সৰ্ব্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনৰ লগত সংগতি ৰাখি শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে ৰাধাকৃষ্ণণৰ আলোক চিত্ৰৰ সন্মুখত বন্তি প্ৰজ্জ্বলন কৰে। বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে গুৰু বন্দনা আৰু পুষ্পাঞ্জলি অৰ্পণ অনুষ্ঠানেৰে শিক্ষক দিৱসৰ মূল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বিদ্যালয়ৰ দশম শ্ৰেণীৰ ছাত্ৰ গৌৰৱ দাসে প্ৰতিগৰাকী শিক্ষকৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি শিক্ষক দিৱসৰ গুৰুত্ব আৰু তাৎপৰ্য ব্যাখ্যা কৰে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে আমন্ত্ৰণ কৰি অনা হয় কটন কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড° ৰমেশ পাঠকক। মুখ্য অতিথিৰ ভাষণত তেখেতে কয় কয় যে অকল ৫ ছেপ্টেম্বৰতেই নহয় প্ৰতিটো দিনতে শিক্ষাৰ্থীসকল শিক্ষকৰ প্ৰতি শ্ৰদ্ধাশীল হোৱা উচিত। ড° পাঠকে ভাষা সাহিত্য সম্পৰ্কেও কিছু বক্তব্য শিক্ষাৰ্থীসকল উপকৃত হোৱাকৈ আগবঢ়ায়। এই অনুষ্ঠানতে বিশিষ্ট অতিথিৰূপে উপস্থিত থকা শিক্ষাবিদ শ্ৰীযুত কুমুদ পাটোৱাৰীয়ে ড° সৰ্ব্বেপল্লী ৰাধাকৃষ্ণণদেৱক সোঁৱৰণ কৰি এক সাৱলীল বক্তব্য আগবঢ়ায়। উল্লেখ্য যে বিদ্যালয়ৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীয়ে প্ৰস্তুত কৰি উলিওৱা তেওঁলোকৰ আবেগ সম্বলিত দলিল 'ৰোমন্থন' শীৰ্ষক স্মৰণিকাখন এই অনুষ্ঠানতে উন্মোচন কৰা হয়। উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি দিলীপ কুমাৰ দত্ত চৌধুৰী আৰু শিক্ষয়িত্ৰী মানসী বৰুৱাই প্ৰতিগৰাকী শিক্ষকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি এই দিনটোৰ মহত্বৰ বিষয়ে নিজৰ বক্তব্য আগবঢ়ায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে গীত, নৃত্য, ভায়োলিন বাদন আদি বিভিন্ন অনুষ্ঠান প্ৰৰ্দশন কৰে। এই সমগ্ৰ অনুষ্ঠানৰ আঁত ধৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ শিক্ষাৰ্থী ঝৰ্ণা ভৰালী আৰু ৰিডম দাসে।

ঘনশ্যাম মেধি

ঘনশ্যাম মেধি<br>
অধ্যক্ষ<br>
অসম জাতীয় বিদ্যালয়